জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১৫৭/২০২১

# বন মহোৎসৱ উপলক্ষে সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ চৌহদত বৃক্ষ ৰোপন কৰিলে মুখ্যমন্ত্ৰীয়ে

## বৃক্ষৰোপনৰ সত্যতা ড্ৰ'নৰ দ্বাৰা পৰীক্ষা কৰা হ'ব ঃ মুখ্যমন্ত্ৰী

## দুৰ্নীতি আৰু বনজ সম্পদৰ অবৈধ যোগান নিয়ন্ত্ৰণ কৰাৰ বাবে ফৰেষ্ট বীট আৰু গেটসমূহ বিলুপ্ত কৰা হ'ব ঃ মুখ্যমন্ত্ৰী

## বনাঞ্চল ধ্বংসৰ বাবে জগৰীয়া বন বিভাগৰ বিষয়া-কৰ্মচাৰীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ০৭ জুলাই ঃ** ৭২ সংখ্যক বন মহোৎসৱৰ সৈতে সংগতি ৰাখি আজি ৰাজ্য চৰকাৰৰ বন আৰু পৰিৱেশ বিভাগে চাংসাৰিস্থিত সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ চৌহদত আয়োজন কৰা ৰাজ্যিক পৰ্যায়ৰ অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বৃহৎ বৃক্ষৰোপন কাৰ্যসূচীত অংশগ্ৰহণ কৰি ৰুদ্ৰাক্ষ গছপুলি ৰোপন কৰে।

এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ক'ভিড-১৯ মহামাৰীয়ে জনসাধাৰণক অক্সিজেনৰ প্ৰয়োজনীয়তা সম্পৰ্কে শিকাইছে আৰু সেয়েহে ৰাজ্যখনৰ বনাঞ্চল আৰু জীৱ বৈচিত্ৰ্য সংৰক্ষণৰ দিশত সকলোৱে প্ৰচেষ্টা চলাব লাগিব। তেওঁ লগতে কয় যে বহনক্ষম পাৰিপাৰ্শ্বিকতা বজাই ৰখাৰ বাবে সেউজ আৱৰণৰ গুৰুত্ব সম্পৰ্কে সজাগতা সৃষ্টিৰ ক্ষেত্ৰত বন মহোৎসৱে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। অসম বন আৰু জীৱ বৈচিত্ৰ্য সংৰক্ষণ প্ৰকল্পৰ অধীনত পুনৰ বনানীকৰণৰ বাবে লোৱা ব্যৱস্থাৰাজিৰ ক্ষেত্ৰত কিদৰে অগ্ৰগতি লাভ কৰা গৈছে সেই সম্পৰ্কত যথাযথ নিৰীক্ষণ কৰিব লাগিব বুলি উল্লেখ তেওঁ এই ক্ষেত্ৰত বন বিভাগৰ দ্বাৰা উপগ্ৰহ প্ৰতিচ্ছৱিৰ দৰে প্ৰযুক্তিৰ ব্যৱহাৰ বৃদ্ধি কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। কেম্পা আৰু অন্যান্য জীৱ বৈচিত্ৰ্য প্ৰকল্পৰ অধীনত লোৱা বৃক্ষৰোপনৰ কাৰ্যসূচীৰ সত্যতা পৰীক্ষা কৰাৰ বাবে ড্ৰ'নৰ জৰিয়তে জৰীপ কৰিব লাগিব বুলিও তেওঁ কয়।

ৰাজ্যখনৰ বনাঞ্চল আৰু সমৃদ্ধ জীৱ বৈচিত্ৰ্যৰ সুৰক্ষাৰ বাবে বন বিভাগৰ বিষয়াসকলে সমৰ্পিতভাৱে কাম কৰাৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে বনাঞ্চল ধ্বংসৰ ফলত নগাঁও জিলাৰ বামুণীপাহাৰত

হাতীৰ মৃত্যুৰ লেখীয়া ঘটনাৰ পুনৰাবৃত্তি নহয়, তাৰ বাবে ৰাজ্য চৰকাৰে শীঘ্ৰে বিভাগটোত ব্যাপক সংস্কাৰ আৰম্ভ কৰিব। যদি বনাঞ্চল বিপদাপন্ন হয়, তাৰ বাবে বন বিভাগৰ বিষয়া-কৰ্মচাৰীক দায়বদ্ধ কৰা হ'ব আৰু এনেকুৰা বিষয়া-কৰ্মচাৰীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে লগতে জনাই যে ৰাজ্য চৰকাৰে অভয়াৰণ্য আৰু বনাঞ্চলত কাম কৰা বনৰক্ষীসকলক দৰমহাৰ সৈতে এক মাহৰ বাধ্যতামূলক চুটি দিয়াৰ বিষয়টো বিবেচনা কৰি আছে। তেওঁ লগতে কয় যে বালি, শিল আদিৰ দৰে বনসম্পদ সংৰক্ষণৰ বাবে বন বিভাগৰ বিষয়াসকলে কাম কৰিব লাগিব। তেওঁ লগতে কয় যে দুৰ্নীতি আৰু বনজ সম্পদৰ অবৈধ যোগান নিয়ন্ত্ৰণ কৰাৰ বাবে ফৰেষ্ট বীট আৰু গেটসমূহ বিলুপ্ত কৰা হ'ব।

জনসাধাৰণে যাতে তেওঁলোকৰ ব্যক্তিগত ভূমিত আগৰ, ৰঙা চন্দন বা অন্যান্য মূল্যৱান গছ ৰোপন কৰিব পাৰে আৰু তেওঁলোকে যাতে ব্যক্তিগত ভূমি খনন আৰু মাটি পূৰণৰ উদ্দেশ্যৰে বিক্ৰী কৰিব পাৰে তাৰ বাবে নিয়মসমূহ সৰলীকৰণ কৰাৰ ওপৰতো মুখ্যমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে।

আজিৰ এই অনুষ্ঠানত বনমন্ত্ৰী পৰিমল শুক্লবৈদ্য, স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্ত, উদ্যোগ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সাংসদ কুইন ওজা, বিজেপিৰ ৰাজ্যিক সভাপতি ভবেশ কলিতা, বিধায়কসকল ক্ৰমে দিগন্ত কলিতা, সুমন হৰিপ্ৰিয়া, হেমাংগ ঠাকুৰীয়া, নন্দিতা দাস, প্ৰধান মুখ্য বন সংৰক্ষক অলকা ভাৰ্গৱ প্ৰমুখ্যে অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**স্বাক্ষৰ / পুঃডেঃ**
**০৭/০৭/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in